জাতিৰ আৱেগ সমাজৰ বিৱেক

দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

ত্ৰিবিংশতিতম বছৰ, সংখ্যা ২১ ● শনিবাৰ ● ৮ আহিন ● ১৯৪৮ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Saturday September 26, 2026 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰপৰা

কানৈ মহাবিদ্যালয়ত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অনুষ্ঠান সম্পন্ন

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপৰ্টাৰ, ২৫ ছেপ্টেম্বৰ ঃ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্বদ্যালয়ৰ অধ্যয়ন কেন্দ্ৰৰ সহযোগত ডিব্ৰুগড়, তিনিচুকীয়া আৰু চৰাইদেউ জিলাৰ ছাত্ৰ-ছাত্ৰীসকলক লৈ মান-পত্ৰ বিতৰণৰ এক অনুষ্ঠান কানৈ মহাবিদ্যালয়ত আয়োজন কৰে। কানৈ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক তথা কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় কানৈ মহাবিদ্যালয় অধ্যয়ন কেন্দ্ৰৰ সমন্বয়ক ড° বিৰাজ দত্তই আঁত ধৰা অনুষ্ঠানত সভাপতিত্ব কৰে কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলীয়ে। আদৰণী ভাষণ প্ৰসংগত মহাবিদ্যালয়ৰ পৰিয়ালৰ হৈ ড° গাংগুলীয়ে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক প্ৰাধ্যাপক প্ৰণৱ শইকীয়া, ডীন ড° ৰিদিপ দেৱ চৌধুৰী, সহকাৰী পঞ্জীয়ক বিৰিঞ্চি বৰা, যোৰহাট আঞ্চলিক কেন্দ্ৰৰ সঞ্চালক ড° সঞ্জীৱ ঘিমিৰেক প্ৰমুখ্যে বিশ্ববিদ্যালয়খনৰ পৰিয়ালবৰ্গক কানৈ মহাবিদ্যালয়ক এনে এখন সভা আয়োজন কৰাৰ কেন্দ্ৰ হিচাপে বাছি লোৱাত ধন্যবাদ জ্ঞাপন কৰে। উপাধ্যক্ষ ড° গাংগুলীয়ে বৰ্তমান সময়ত দূৰ শিক্ষা ব্যৱস্থাৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ প্ৰসাৰতাৰ বিভিন্ন দিশ আলোকপাত কৰে। উদ্দেশ্য ব্যাখ্যা কৰে সহকাৰী পঞ্জীয়ক বিৰিঞ্চি বৰাই। বিশ্ববিদ্যালয়খনৰ অধ্যয়ন কেন্দ্ৰসমূহৰ ডীন ড° ৰিদিপ দেৱ চৌধুৰীয়ে বৰ্তমান সময়ত কাৰিকৰী বিদ্যাৰ লগতে দূৰ শিক্ষা মাধ্যমৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে দ্বৈত ডিগ্ৰী আহৰণ কৰি নিজকে সংস্থাপিত কৰিব পৰাৰ বিভিন্ন কৌশলৰ বিষয়ে আলোচনা কৰি অধ্যয়ন কেন্দ্ৰসমূহে কিদৰে অধিক ছাত্ৰ-ছাত্ৰীক মুক্ত বিশ্ববিদ্যালয়খনৰ বিভন্ন পাঠ্যক্ৰমত নামভৰ্তি কৰাব পাৰি তাৰ বিষয়ে আলোকপাত কৰে। সভাত সমল ব্যক্তি হিচাপে বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক প্ৰাধ্যাপক প্ৰণৱ শইকীয়াই অসমৰ প্ৰথমখন ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠা, ইয়াৰ অধীনত বৰ্তমান সময়ত প্ৰদান কৰি থকা বিভিন্ন পাঠ্যক্ৰমৰ বিষয়ে ব্যক্ত কৰে। সমানুপাতিকভাৱে বিশ্ববিদ্যালয়খনে গ্ৰহণ কৰি অহা নতুন ব্যৱস্থাৱলী আৰু পৰীক্ষাসমূহ নিখুঁতভাৱে পৰিচালনা কৰিবলৈ গ্ৰহণ কৰা অত্যাধুনিক তথ্য প্ৰযুক্তিৰ বিভিন্ন দিশ আলোচনা কৰে। তেওঁ অসমৰ তিনিশৰো অধিক অধ্যয়ন কেন্দ্ৰসমূহৰ জৰিয়তে কেইবা লক্ষাধিক ছাত্ৰ-ছাত্ৰীক দূৰ শিক্ষা মাধ্যমৰ জৰিয়তে আনুষ্ঠানিক শিক্ষা গ্ৰহণৰ সুবিধা প্ৰদান কৰিছে বুলি মত প্ৰকাশ কৰে। বিজ্ঞানৰ স্নাতকোত্তৰ শাখাৰ পদাৰ্থ বিজ্ঞান আৰু ৰসায়ন বিজ্ঞানৰ সংযোজনে বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীসকলক অধিক উৎসাহ জনাব বুলি মত প্ৰকাশ কৰে। ইয়াৰ পাছতে কানৈ মহাবিদ্যালয়ৰ অধ্যয়ন কেন্দ্ৰৰ পৰা ইতিমধ্যে বিশ্ববিদ্যালয়খনৰ পৰা স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা বাৰগৰাকী শিক্ষাৰ্থী, নন্দলাল বৰগোহাঁই চিটি মহাবিদ্যালয়ৰ ছয়গৰাকী শিক্ষাৰ্থীক বিশ্ববিদ্যালয়খনৰ হৈ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলী, পঞ্জীয়ক প্ৰাধ্যাপক প্ৰণৱজ্যোতি শইকীয়া, ডীন ড° ৰিদিপ দেৱ চৌধুৰী, সাপেখাতী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিজু মৰাণ, টিংখাং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মৌচুমী গগৈ আৰু মৰাণ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নিশি বৰগোহাঁয়ে মান-পত্ৰ প্ৰদান কৰাৰ পাছত অন্যান্য শিক্ষাৰ্থীসকলৰ মান-পত্ৰসমূহ কানৈ মহাবিদ্যালয়ৰ লালচান্দ কানৈ প্ৰেক্ষাগৃহত প্ৰদান কৰা হয়। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি উজনি অসমৰ তিনিখন জিলা ক্ৰমে ডিব্ৰুগড়, তিনিচুকীয়া আৰু চৰাইদেউ জিলাৰ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অধ্যয়ন কেন্দ্ৰসমূহৰ পৰিচালনা আৰু ইয়াৰ লগত জড়িত বিভিন্ন দিশৰ বিষয়ে আলোচনা কৰা হয়। শলাগ জ্ঞাপন কৰে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় যোৰহাট আঞ্চলিক কেন্দ্ৰৰ সঞ্চালক ড° সঞ্জীৱ ঘিমিৰে।